15-16

ISSN : 2278-3466

# THE QUEST

Vol. IX, October, 2016

A Bilingual Research Journal of Jorhat College Teachers' Unit

Editors

Dr. Jyotirmoi Bordoloi

Subhrajyoti Chanda

**THE QUEST** : A bilingual (Assamese & English) Research Journal of Jorhat College Teachers' Unit, Yearly publication of Jorhat College Teachers' Unit.

ISSN : 2278-3466
Price: Rs. 200/-

**Editorial Board**

**Advisors :**
Dr. Devabrata Sharma, Principal Jorhat College
Dr. N. Gobinda Singha, Ex.Head : Department of Assamese
Dr. Nilima Bora, Head : Department of Economics
Mrs. Rupali Bora, Associate Prof.:Department of Pol. Science

**Editors :**
Dr. Jyotirmoi Bordoloi
Subhrajyoti Chanda

**Members :**
Mrs. Monisha Duarah
Mr. Pankajpani Saikia
Dr. Mouchumi Mahanta
Mr. Kushal Kumar Das
Dr. Soumitra Puzari
Dr. Diganta Kumar Phukan

**Address :** M. G Road. Na-ali, Jorhat, Assam. PIN-785001
**E-mail :** tujorhatcollege@gmail.com
**Website :** **www.jorhatcollege.org**

**Printed at : ISKRA**, K. B. Road, Jorhat

9. Mobile Phone usage Pattern amongst High School Students: A Case Study in Jorhat District
***Sulaxana Bharali*** 123

10. Change in Voting Behavior of Tea-Garden Workers of Jorhat District in Last Lok-Sabha Election
***Channika Bora*** 135

11. আধুনিক মণিপুৰী সাহিত্যৰ লোকমোকালিৰ ত্ৰিমূৰ্তি
***ড° এন. গোবিন্দ সিংহ*** 151

12. উনবিংশ শতিকাৰ কৃষি-বাণিজ্যিকৰণৰ বেহুণি : ঔপনিবেশিক ভাৰত বুৰঞ্জীৰ অনুভাৱে
**উৎপল দত্ত** 156

13. 'গ্ৰাম্য সভা' : গণতন্ত্ৰৰ তৃণমূল পৰ্যায়ত ৰাইজৰ অংশগ্ৰহণক লৈ কৰা পৰিকল্পনাৰ এক শক্তিশালী স্তম্ভ
**ৰূপালী বৰা** 163

14. ইলেক্ট্ৰনিক্স আৱৰ্জনাৰ প্ৰদূষণ : পৰিবেশৰ প্ৰতি বিপদজনক সংকেত এটি সমীক্ষাত্মক আলোচনা
**কুশল কুমাৰ দাস** 182

15. তিৱা জনগোষ্ঠীৰ মৃত্যুকেন্দ্ৰিক লোক-বিশ্বাস আৰু লোকাচাৰসমূহ এটি বিশ্লেষণাত্মক অধ্যয়ন
**ড° জ্যোতিৰ্ময় বৰদলৈ** 199

16. অসমীয়া ভাষী মিচিংসকলৰ পৰিচয় আৰু তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান দলগাং : এটি আলোচনা
**তৰুণ নইং** 229

# অসমীয়া ভাষী মিচিংসকলৰ পৰিচয় আৰু তেওঁলোকৰ ধৰ্মীয় অনুষ্ঠান দদ্গাং ঃ এটি আলোচনা

**তৰুণ লইং**

লোকপিয়ল অনুযায়ী মিচিংসকলৰ অসমৰ দ্বিতীয় সংখ্যাগৰিষ্ঠ ভৈয়াম জনজাতি। নৃ-তাত্ত্বিক বিচাৰত মিচিংসকল মংগোলীয় গোষ্ঠীৰ লোক। ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে তেওঁলোকৰ ভাষাটো চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মী শাখাৰ উত্তৰ-অসম উপশাখাৰ অন্তৰ্গত। বৰ্তমান তেওঁলোক অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ধেমাজি, লখীমপুৰ, শোণিতপুৰ আৰু দক্ষিণপাৰে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাত বসতি কৰি আছে। তদুপৰি অৰুণাচল প্ৰদেশৰ লোহিত, চিয়াং আৰু ডিবাং উপত্যকাতো মিচিংসকলৰ বসতি পোৱা যায়।

মিচিংসকলৰ মাজত পৰম্পৰাগতভাৱে নটা খেল (Group) পোৱা যায়। সেইকেইটা হৈছে- ১। পাগ্ৰ, ২। দীলু, ৩। অয়ান, ৪। চায়াং, ৫। মিয়িং, ৬। দামুক, ৭। তামাৰ, ৮। চামুগুৰীয়া আৰু ৯। বংকুৱাল। উল্লেখযোগ্য যে, এই পৰম্পৰাগতভাৱে চলি অহা নটা খেলৰ উপৰিও মানৰ আক্ৰমণৰ আগে-পিছে ভৈয়ামৰ বিভিন্ন লোকৰ সংমিশ্ৰণৰ 'বিহিয়া' আৰু 'বেবেজীয়া' নামৰ দুটা খেল (Group) মিচিং সমাজত সোমাই পৰা দেখা যায়। সেইফালৰ পৰা চাবলৈ গ'লে মিচিং সমাজত মুঠ এঘাৰটা খেল পোৱা যায়। ভাষাৰ দৃষ্টিকোণেৰে বহল ভাৱে মিচিংসকলক মিচিং ভাষা কোৱা মিচিং আৰু অসমীয়া ভাষী মিচিং - এই দুটা ভাগত ভাগ কৰিব পাৰি। অসমীয়া ভাষী মিচিংসকল হৈছে — তামাৰ বা টেমেৰা, চামুগুৰীয়া,

বংকোৱাল, বিহিয়া আৰু বেবেজীয়া। বিহিয়া আৰু বেবেজীয়া খেলৰ লোকসকল যিহেতু তৈয়ামৰ বিভিন্ন লোকৰ সংমিশ্ৰণত সৃষ্টি হোৱা সেয়ে তেওঁলোকৰ মাত কথাবোৰ অসমীয়া হোৱাটো স্বাভাৱিক। কিন্তু চামুগুৰীয়া, টেমেৰা আৰু বংকুৱালসকলৰ নিজৰ মাজৰ পৰা মিচিং ভাষা কেনেকৈ হেৰালে সেই সম্পৰ্কে কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। তৰুণ চন্দ্ৰ পামেগামে (১৯৮৯ : ৪১) "মিচিং সংস্কৃতিৰ আলেখ্য"ত উল্লেখ কৰা মতে — "সম্ভৱতঃ চামুগুৰীয়া আৰু তামাৰ খেলৰ মানুহেই পোন প্ৰথম তৈয়ামলৈ নামি আহিছিল। তেওঁলোক তৈয়ামলৈ অহা সময়ত অন্যান্য মিচিং মানুহ নাছিল কাৰণে অনা-মিচিং সম্প্ৰদায়ৰ লগত ভাবৰ আদান-প্ৰদান কৰিব লগা হোৱাত নিজ কথাভাষা বা মৌলিক ভাষা পাহৰি যাব পাৰে। বৰ্তমান এওঁলোকে অসমীয়াতেই কথা-বতৰা কয় যদিও অন্যান্য সকলো বিষয়ত মিচিংসকলৰ লগত মিল আছে।" মিচিং লিখক টংকেশ্বৰ লইঙৰ (১৯৮৯ : ৬৭-৬৭) মতে — "মিচিং মানুহে যে নিজৰ মাত কথা এৰি অসমীয়া ভাষা কথা ক'বলৈ লোৱা বেছি দিন হোৱা নাই, গাৱঁত সোমাই তেওঁলোকৰ মাত কথা শুনিলেই সকলোৱে এই কথা বুজি পাব। চাৰিওফালৰ অসমীয়া ভাষী মানুহৰ মাজত যুগ যুগ ধৰি মুষ্টিমেয় কেইঘৰমান আদী মানুহে বিভিন্ন পৰিৱেশ আৰু পৰিস্থিতিৰ মাজত বাস কৰিব লগা হোৱাটোৱেই হয়তো তেওঁলোকৰ মাতৃভাষা পৰিত্যাগ কৰাৰ মূল কাৰণ।"

## ১.০ অসমীয়া ভাষী মিচিংসকলৰ পৰিচয়

অসমীয়া ভাষী মিচিংসকলে (তেমেৰা, চামুগুৰীয়া, বংকোৱাল, বিহিয়া, বেবেজীয়া) কেতিয়াৰ পৰা নিজৰ ভাষা কবলৈ এৰিলে তাৰ কোনো ঐতিহাসিক তথ্য পোৱা নাযায়। তেওঁলোকে মিচিং ভাষা এৰি অসমীয়া ভাষাটো মাতৃভাষা হিচাপে ব্যৱহাৰ কৰি আহিছে যদিও এতিয়াও মিচিং সংস্কৃতিৰ ভালেমান উপাদান সোমাই পৰিছে। বিশেষকৈ তেওঁলোকে পালন কৰা উৎসৱ অনুষ্ঠানসমূহত এনে প্ৰভাৱ পৰিলক্ষিত হয়। তলত অসমীয়া ভাষী মিচিংসকলৰ চমু পৰিচয় দাঙি ধৰা হ'ল —

১.১ টেমেৰা বা তামাৰ ঃ

টেমেৰা বা তেমাৰ খেলৰ লোকসকলক অন্যান্য মিচিং সকলে তামাৰ বুলি জানে। সেই খেলৰ মিচিংসকলে বসবাস কৰা ঠাইত বহুত টেমী গছ আছিল। সেই গছৰ কাষতবসবাস কৰা বাবে তেওঁলোকে টেমাৰ নাম পালে বুলি কোৱা হয়।তেওঁলোক মূলতঃ গোলাঘাট জিলাৰ বোকাখাত মহকুমাৰ বড়ামাটি আৰু মহৰা মৌজাৰ অন্তৰ্গত গেলাবিল আৰু ধনশিৰি নদীৰ উত্তৰপাৰে বসবাস কৰি আছে। তদুপৰি গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলৰ গমাৰিগুৰি, টেঙানি অঞ্চলত বসতি পোৱা যায়। লক্ষীমপুৰ জিলাৰ নাৰায়নপুৰ আৰু বিহপুৰীয়া অঞ্চলত আৰু ধেমাজি জিলাৰ গোগামুখতো দুখনমান টেমেৰা খেলৰ মিচিং গাওঁ পোৱা যায়। টেমেৰা খেলৰ মাজত লইং, মৰাং, পাৱে, দাও, পাঠৰী, বৰি আদি ফৈদৰ লোক পোৱা যায়।

১.২ চামুগুৰীয়া ঃ

চামুগুৰীয়া খেলৰ লোকসকল প্ৰধানকৈ উত্তৰ-লক্ষীমপুৰ জিলাৰ বড়নদীৰ আশে-পাশে পহমৰা অঞ্চলত বসবাস কৰি আছে। এক জনশ্ৰুতি মতে তেওঁলোকে পাহাৰত থকা সময়ত দলীয় সংঘৰ্ষত লিপ্ত হয় নিজৰ আত্মীয় স্বজনক হেকৰাই আহোম ৰাজ্যত আশ্ৰয় লৈছিল। আহোম ৰজাই তেওঁলোকক শিৱসাগৰৰ চামুগুৰি নামে ঠাইত থাকিবলৈ দিছিল বাবে তেওঁলোকক চামুগুৰীয়া মিচিং বুলি জনা যায়। তদুপৰি বিহপুৰীয়া অঞ্চলৰ বড়ালমৰাত, নাৰায়নপুৰ অঞ্চলতো কেইখনমান চামগুৰি খেলৰ লোকৰ বসতি আছে। কিছুমান চামুগুৰীয়া খেলৰ লোক বৰ্তমান ধেমাজি জিলাৰ গোগামুখ অঞ্চলৰ বগীপুং নাহৰবাৰী, কাংকো কলমা, বালিগাঁও আদি ঠাইলৈ উঠি যোৱা দেখা গৈছে। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে-চামুগুৰীয়াসকলৰ কোনো বসতি পোৱা নাযায়। তেওঁলোকৰ মাজত মৰাং, পাৱে, বৰি, টায়ে, মিৰি আদি ফৈদৰ লোক পোৱা যায়। তেওঁলোকৰ মাজত বৰুৱা, কোঁৱৰ আদি উপাধিৰ লোক পোৱা যায়। লক্ষীমপুৰ জিলাৰ লালুক অঞ্চলতো তিনি চাৰিখন চামুগুৰীয়া গাওঁ পোৱা যায়। চামুগুৰীয়া খেলৰ মিচিংসকলে অন্যান্য

মিচিংসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা লৃগাং, পঃৰাগ, দবুৰ্ পালন নকৰে। তেওঁলোকে অসমীয়া জাতীয় জীৱনত পালন কৰা তিনিটা বিহু পালন কৰে।

১.৩ বংকুৱাল ঃ

'বংকুৱাল' খেলৰ বিষয়ে মিচিংসকলৰ কোনো লিখকে উল্লেখ কৰা নাই। স্বৰ্গীয় টংকেশ্বৰ লইতৰ ১৯৭০ চনত 'দৈনিক অসম'ত প্ৰকাশিত "মিচিং ভাষা নোকোৱা মিচিং" শীৰ্ষক প্ৰবন্ধত বংকোৱাল খেলৰ বিষয়ে উল্লেখ পোৱা যায়। তেওঁলোক গোলাঘাট জিলাৰ বোকাখাট মহকুমাৰ মহুৰা মৌজাৰ অন্তৰ্গত বংকুৱাল নামৰ অঞ্চলটোত বসবাস কৰি আছে। প্ৰথমে 'বংকুৱাল' এখন গাওঁ আছিল যদিও এতিয়া কেইবাখনো গাওঁ সেই অঞ্চলটোত পোৱা যায়। অৱশ্যে গৰাখহনীয়াৰ কবলত পৰি সেই অঞ্চলৰ মানুহবোৰ বৰ্তমান গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলৰ টেমাৰি, টেঙানি, বোকাখাটৰ পাণবাৰী আদি গাঁৱলৈ উঠি যোৱা দেখা গৈছে। 'বংকুৱাল' খেলৰ লোকসকল টেমেৰা খেলৰ লোকসকলৰ লগত প্ৰায় একেই হোৱা বাবে বহুতেই তেওঁলোকক টেমেৰা খেলৰ বুলি ক'ব খোজে। বংকোৱাল খেলৰ মাজতো টেমেৰা খেলৰ দৰে মবাং, লইং, বৰি, দাও আদি ফৈদৰ লোক পোৱা যায়। অৱশ্যে টেমেৰা সকলে পালন কৰাৰ দৰে তেওঁলোকে দবুৰ্ উৎসৱ পালন নকৰে।

১.৪ বিহিয়া ঃ

গোলাঘাট জিলাৰ বোকাখাত মহকুমাৰ অন্তৰ্গত বোকাখাট নগৰৰ উত্তৰফালে 'বিহিয়া' সকলৰ বসতি পোৱা যায়। বিহিয়া লোকসকলক মিচিং লিখক ডাঃ নোমল চন্দ্ৰ পেগু, ড° বসন্ত কুমাৰ দলে আদিয়ে মিচিং নহয় বুলি উল্লেখ কৰিছে। ড° বসন্ত কুমাৰ দলেই (২০০৭ ঃ ৩১) তেওঁৰ "মিচিং সমাজ সংস্কৃতিৰ সমীক্ষা"ত কৈছে - "............ এতেকে ক'ব পাৰি যে গোষ্ঠীগতভাৱে বিহিয়া সকল মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত খেল নাছিল।" টংকেশ্বৰ লইতৰ (১৯৮৯ ঃ ৭২) মতে "তেওঁলোক সাংস্কৃতিক দিশত মিচিং। জাতিগত হিচাপে অসমৰ বিভিন্ন সম্প্ৰদায়ৰ লোক গোট হৈ মানৰ দিনত

মিচিংসকলৰ কাষত থাকি মিচিং জীৱন ধাৰাকে গ্ৰহণ কৰি তেওঁলোক নিজকে মিচিং বুলি পৰিচয় দি আহিছে।"

যি কি নহওক বিহিয়া সকল বৰ্তমানে মিচিংসকলৰ এক অবিচ্ছেদ্য অংগ। তেওঁলোক বৰ্তমানে বোকাখাট অঞ্চলৰ উপৰিও ধেমাজি জিলাৰ জোনাই অঞ্চললৈ গৰাখহনীয়াৰ কবলত পৰি উঠি যোৱা দেখা গৈছে। চিমেন চাপৰিৰ পৰা দক্ষিনফালে ডিব্ৰুগড়লৈ যোৱা কাৰৈমাৰী ঘাটৰ ওচৰত তিনিখন বিহিয়া গাওঁ বোকাখাট অঞ্চলৰ পৰা উঠি গৈ বসতি কৰি আছে। উল্লেখযোগ্য যে, তেওঁলোক মিচিং ভাষা কোৱা মিচিংসকলৰ পৰিবেশত থাকি নতুন প্ৰজন্মৰ প্ৰায়বোৰেই মিচিং ভাষা আয়ত্ব কৰিবলৈ সক্ষম হৈছে। তদুপৰি, শোণিতপুৰ জিলাৰ গহপুৰ অঞ্চলতো কুকুৰজান মিচিং গাঁৱত কেইঘৰমান বিহিয়া খেলৰ লোক আছে। সেইদৰে বোকাখাটৰ ওচৰৰে বজাবাৰীৰ দুই-তিনিখনমান বিহিয়া গাওঁ গৰাখহনীয়াৰ কবলত পৰি বোকাখাটৰ আশে-পাশে দক্ষিণ দিশত বসতি কৰি থকা দেখা যায়।

১.৫ বেবেজীয়া ঃ

গোলাঘাট জিলাৰ বোকাখাত মহকুমাৰ বংকুৱাল গাঁৱৰ গাতে কাঠনি গাওঁ আৰু কলাবাৰী গাওঁ নামৰ দুখন গাঁৱত 'বংকুৱাল' খেলৰ লোকসকলৰ লগত বসতি কৰি থকা দেখা যায়। অৱশে গৰাখহনীয়াৰ কবলত পৰি তেওঁলোক বালিচাপৰি প্লেটফৰ্ম আৰু বৰতল প্লেটফৰ্মত সম্প্ৰতি আশ্ৰয় লৈ থকা দেখা গৈছে। বসন্ত কুমাৰ দলেৰ (২০০৮ ঃ ২৯-৩০) মতে — "বেবেজীয়া খেলটোও মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত খেল নাছিল। বিহিয়া সকলৰ দৰে তেওঁলোকেও মানৰ আক্ৰমণৰ পৰৱৰ্তী কালত বিভিন্ন কাৰণ বশতঃ মিচিং সমাজত সংমিশ্ৰিত হৈছে তেওঁলোকো মিচিং সমাজৰ মিচিং ভাষা নোকোৱা এটা মিচিং খেলৰূপে পৰিগণিত হৈছে।"

মৃতকৰ শ্ৰাদ্ধ ঃ

অসমীয়া ভাষী মিচিংসকলৰ মাজত শ-দাহ কৰাৰ নিয়ম নাই। মানুহ মৃত্যু হোৱাৰ লগে লগে মৰা ঠাইৰ পৰা দাঙি উত্তৰ ফাললৈ মুখ কৰি থৈ

গা-পা ধুৱাই নতুন বস্ত্ৰ পৰিধান কৰাই নগা ঢাবিয়ে বান্ধি ঘৰৰ পিছফালে বাওঁহাতৰ চুকেদি বেৰ ফালি চাঙ্গিত ভৰাই মৰিশালিলৈ চাৰিজন মানুহেৰে ভাৰ বৈ লৈ যোৱা দেখা যায়। কোনো কোনো পৰিয়ালত মৃতকক আগ দুৱাৰেদিও উলিয়াই নিয়ে। তাৰ আগতেই এদল লোকে শ-টোৰ জোখ লৈ অগ্নি-বায়ু দিশত গাঁত খন্দা দেখা যায়। গাঁত খন্দাৰো বহুত নিয়ম পৰিলক্ষিত হয়। গাঁত খন্দাৰ আগতেই কিবা মূল্য একেৰা আই বসুমতীক দি মাটি কিনি লয় আৰু গাঁতটো জুইৰে পুৰি দিয়ে। কাঠৰ বাকচত অৰ্থাৎ কফিনত ভৰাই মৰিশালিত শ-টো তিনিপাক (ভকত হ'লে পাঁচ পাক) ঘূৰাই দক্ষিণ মুৱাকৈ খন্দা কেকেটীয়া দ গাঁতত ভৰাই দিয়ে। জীৱিত আত্মীয়সকলৰ নামত মৃতকৰ উদ্দেশ্যে একোডোখৰ 'গেৰ্‌লং' বা ফলা বাঁহৰ টুকুৰা শৱৰ ওপৰেদি গুজি দিয়ে যাতে 'মৰাই মৰাৰ সঙ্গতি পাব লাগে, জীয়াই আশা ভৰসা এৰিব লাগে'—বুলি। মৈলামেদি শিয়াল, কুকুৰ আদি সোমাব নোৱাৰাকৈ চাৰিওফালে বেৰা দিয়ে। লগত মৃতকে জীৱিত কালত ব্যৱহাৰ কৰা কাপোৰ-কানি, বাচন-বৰ্তন, কাঁহৰ বাতি, দা-কটাৰী আদি ইহকালৰ ব্যৱহাৰৰ অনুপযোগী কৰি ফালি-ছিৰি, ভাঙি-ছিঙি মৰিশালিত দি আহে। গা-পা ধুই আহি ঘৰত শ-যাত্ৰীয়ে শুচি হোৱা দেখা যায়। শ-সংকাৰৰ পিছত 'মৰা-ভাত' আগবঢ়ায়। তিনিদিনৰ দিনা পুৱাতে তিলনী অনুষ্ঠান আৰম্ভ হোৱাৰ আগতেই মৰিশালিত গৈ পুনৰ মঙ্গলামঙ্গল বিচাৰ কৰি অহা পৰিলক্ষিত হয়। মৃতকৰ লগত আৰু অনেক সংস্কাৰ পালন কৰা হয়।

মৃত্যু হোৱাৰ লগে তিনিদিনৰ মূৰত পুৰোহিতে মন্ত্ৰ মাতি দিয়া 'তেলপানী' ছোৱাৰ পিছৰ পৰাহে বংশৰ মানুহে হাল-কোৰ বোৱা কামত লাগিব পাৰে। মৰা ঘৰৰ মানুহে পাঁচদিনৰ পিছতহে যিকোনো কামত আত্মনিয়োগ কৰিব পাৰে। মানুহ মৰাৰ পিছত ন-জোন ওলোৱাৰ আগলৈকে তেওঁলোকে বঙালাও, কচু, গেৰ্‌নী (এক ধৰণৰ কণবীয়া শাক), টেঙা জাতীয় খাদ্য, কাৱৈ, গৰৈ, শ'ল আদি ক'লা বৰণীয়া মাছ খাব নোৱাৰে। মানুহ মৰাৰ পাঁচদিনৰ দিনা মাঙ্গলিক কামখিনি কৰাৰ পিছত দদ্‌গাং (শ্ৰাদ্ধ) পাতিবৰ

বাবে সিদ্ধান্ত লোৱা হয়। এই দদ্গাং অনুষ্ঠানত মিচিংসকলে বিবাহ অনুষ্ঠানতকৈয়ো বেছি খৰছ কৰা দেখা যায়। এই দদ্গাং অনুষ্ঠানত ছাই মদ, গাহৰি, কুকুৰা, মাছ আদি অপৰিহাৰ্য। এই অনুষ্ঠান ব্যয়বহুল হোৱা বাবে সময় সুবিধামতেহে পতা দেখা যায়। এই অনুষ্ঠান পৰিয়ালগত যদিও মিচিং সমাজৰ প্ৰথা অনুযায়ী ই সামাজিক অনুষ্ঠানৰ ৰূপ লয়। কাৰণ এই অনুষ্ঠানত সমগ্ৰ গাঁওখনৰ লোকেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ পৰে। তদুপৰি পৰিয়ালৰ জী-জোঁৱাই তথা মিতিৰ-কুটুম্বক আমন্ত্ৰণ জনোৱা দেখা যায়। এই অনুষ্ঠান সাধাৰণতে পুহ-মাঘ মাহত পতা হয়। কিয়নো সেইসময়ত ধান, মাহ, সৰিয়হ, আলু-কচু আদি হাতত পাবলৈ সুবিধা হয়। প্ৰায় দুমাহমানৰ আগৰ পৰাই আপং বনাবৰ বাবে গাঁৱৰ জীয়ৰীসকলক অনুৰোধ কৰি কামত লগোৱা হয়। তদুপৰি গাঁৱৰ যুৱক-যুৱতীৰ অনুষ্ঠান "য়ামে মৃমবৃৰ"ক টোপোলা দি খৰি গোটোৱা, ঘৰৰ চাং মেৰামতি কৰা আদি বিভিন্ন কামত সহায় সহযোগ আৰু বুদ্ধি পৰামৰ্শ দিবলৈ অনুৰোধ জনোৱা হয়। তেওঁলোকে দুই-চাৰিদিন আগৰপৰাই খৰি, কলপাত শাক আদি গোটোৱা কাম কৰি দিয়ে। দদ্গাঙৰ আগৰাতি 'তাঙ্কুগ' নামৰ বাঁহেৰে নিৰ্মিত শংকু আকৃতিৰ সঁজুলি ঘৰৰ চোতালত খুঁটিৰে থিয়কৈ মুখখন ওপৰলৈ কৰি বন্ধা হয়। এই 'তাঙ্কুগ'ৰ ওপৰৰ ফালে ছাই মদৰ টোপোলাবোৰ ঢালি দিয়া হয় আৰু পানী ঢালি ইয়াক পৰিস্ৰাৱন (Filter) কৰি আপং প্ৰস্তুত কৰা হয়। অসমীয়া ভাষী মিচিংসকলে সাধাৰণতে দুটা তাঙ্কুপ ব্যৱহাৰ কৰে। ইয়াৰে এটা পৰিয়ালৰ বাবে আৰু আনটো বংশৰ জীয়ৰী সকলৰ বাবে।

দদ্গাং অনুষ্ঠানৰ দিনা ঘৰৰ গৃহস্থই দিয়া গাহৰিৰ উপৰি জী-জোঁৱাই, বংশ-পৰিয়াল, মিতিৰ-কুটুম্ব আদিয়ে মৃতকৰ আত্মাৰ উদ্দেশ্যে গাহৰি বলি দিয়ে। এই নিয়মত কেইবাজনো মানুহে গাহৰিটো ওপৰমুৰাকৈ শুৱাই ন'বৰ বাবে ধৰি দিয়ে। গাহৰিটো (গাহৰি কেইবাটাও হ'ব পাৰে) বুকুত বাঁহৰ শলাৰে খুঁচি বধ কৰে। সেইদৰে বংশ পৰিয়াল, জী-জোঁৱাই, আত্মীয়-স্বজনে দিয়া গাহৰি কিলাককো তেনেদৰেই বধ কৰা হয়। সেইসময়ত তেজ সৰহকৈ

খুলালে মৃতকৰ আত্মাই সদগতি পায় বুলি তেওঁলোকৰ বিশ্বাস। সেইদিনা ৰাইজে মিলি ছাই মদ, গাহৰি মাংসেসহ ভোজ-ভাত খোৱা হয়। সদগতিৰ পিছৰ দিনা বংশ পৰিয়াল আৰু জোঁৱাইসকলে মিলি প্রীতি ভোজ খায়। শংকৰী ধৰ্মত দীক্ষিত হোৱা সকলে গাহৰি আৰু আপঙৰ পৰিবৰ্তে চিৰা-দৈ, মাহ-চাউল আদিৰে শ্ৰাদ্ধ সমাপন কৰে।

**গ্ৰন্থপঞ্জী**


কাগয়ুং, ভৃগুমুনি (সম্পা) : *মিচিং সংস্কৃতিৰ আলেখ্য*, লয়াই বুক ষ্টল, পাণবজাৰ, সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, ১৮৮৯ চন

দলে, বসন্ত কুমাৰ : *মিচিং সমাজ সংস্কৃতিৰ সমীক্ষা*, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী, ২০০৮ চন

পাএগ্ৰা কটকী, সোণাৰাম : *মিৰি জাতিৰ বুৰঞ্জী*, অয়েঙীয়া গাঁও, উভটামুখ, লক্ষীমপুৰ ১৯৩৫ চন

পামেগাম, তৰুণ চন্দ্ৰ (১৯৮৯ চন) : মিৰি বা মিচিং, কাগয়ুং, ভৃগুমুনি (সম্পা) : *মিচিং সংস্কৃতিৰ আলেখ্য*, লয়াই বুক ষ্টল, পাণবজাৰ, সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, (পৃষ্ঠা ৪১)

পেগু, ডাঃ নোমল : *মিচিংসকলৰ ইতিবৃত্ত আৰু সংস্কৃতি*, ভাৰতী প্ৰকাশন, ডিব্ৰুগড়, ২০০০ চন

ভূঞা, বলোৰাম : *চামগুৰীয়া মিচিং সমাজত এভুমুকি*, Assam Institute of Research for Tribals & Scheduled Castes, Guwahati, 1st Published 1999

লইং, টংকেশ্বৰ (১৯৮৯ চন) : মিচিংভাষা নোকোৱা মিচিং, কাগয়ুং, ভৃগুমুনি (সম্পা) : *মিচিং সংস্কৃতিৰ আলেখ্য*, লয়াই বুক ষ্টল, পাণবজাৰ, সংশোধিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ, (পৃষ্ঠা ৬৭)